উত্তৰ:- কাব্যৰ আত্মাৰ বিচাৰ ক্ষেত্ৰত ৰসবাদীসকলে 'বাক্যং ৰসাত্মকং কাব্যম্' ৰসাদি আত্মা ইত্যাদি বুলি কৈছে। আলংকাৰিক সকলৰ এই মতবাদটো 'কুমাৰ হৰণ' কাব্যত যথোচিত ভাৱে প্ৰসাৰিত হৈছে। কাব্যখন অনুশীলন কৰিলে ৰসাত্মক পৰমানন্দৰ প্ৰকাৰ অনুভৱ কৰিব পাৰি।

সংস্কৃত আলংকাৰিক সকলৰ মতে কাব্যত শৃংগাৰ, বীৰ আৰু শান্ত ৰসৰ ভিতৰত যিকোনো এটা ৰস অংগী (প্ৰধান) আৰু বাকীকেইটা ৰস অংগ (অপ্ৰধান) ৰূপে থকা উচিত। বিশ্বনাথ কবিৰাজৰ মতে,

"শৃঙ্গাৰ বীৰ শান্তানামেকোঽঙ্গী ৰস ইষ্যতে
অংগানি সৰ্বেঽপি ৰসাঃ ... ।"

ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে, কাব্যত শৃঙ্গাৰ বীৰ আৰু শান্ত ৰসৰ যিকোনো এটা ৰস প্ৰধানভাৱে থাকিব লাগিব। এই পুষ্টি সাধনত বাকীবোৰ ৰসে সহায় কৰিব লাগিব। অনন্ত কন্দলিৰ 'কুমাৰ হৰণ' কাব্যৰ অংগীৰস হ'ল শৃঙ্গাৰ। অৱশেষে ইয়াত বীৰ, ভয়ানক, কৰুণ, অদ্ভুত, ৰৌদ্ৰ, কৰুণ আদি ৰসে শৃংগাৰ ৰসৰ পুষ্টি সাধনত সহায় কৰে। চক্ৰৱৰ্তীৰ 'কুমাৰ হৰণ কাব্যত শৃঙ্গাৰ ৰসৰ প্ৰয়োগ হৈছে।

Scanned by TapScanner

ৰতি শৃংগাৰ ৰসৰ 'স্থায়ীভাব'। শৃংগাৰ ৰসক দুটাভাগত ভাগ কৰা হয় বিপ্ৰলম্ভ আৰু সম্ভোগ। সম্ভোগত স্ত্ৰী পুৰুষৰ মিলন, দৰ্শন, আলিংগন আৰু বিপ্ৰলম্ভত দুয়োৰে বিৰহৰ অৱস্থাত দেখা দিয়া অৱস্থাৰ চিত্ৰ দাঙি ধৰা হয়। 'কুমৰ-হৰণ' কাব্যত দুয়োবিধ শৃংগাৰ ৰসৰে অৱতাৰণা কৰা হৈছে। হৰ-গৌৰীৰ পৰা বৰ লাভে কৰি ৰংগা মাহৰ দ্বাদশী তিথিত উষাই সপোনত স্বামী লাভ কৰি ৰতি সুখ লাভ কৰে। কিন্তু সাৰ পাই ৰতি সুখৰ পৰা বঞ্চিত হোৱাত দেখা দিয়া বিৰহৰ চিত্ৰ দাঙি ধৰোতে বিপ্ৰলম্ভ শৃংগাৰ ৰসৰ সৃষ্টি হৈছে—

সপোনত কামে ধৰে · শৰীৰত বিকল কৰে
ধৰিবে চাহে আকোৱালি।
আৰ হোৱে দুইৰ আগ ধৰিবৰ নপাই লাগ
স্বামী বুলি গেড়িয়া আওকালি॥

অনন্ত কন্দলিৰ সম্ভোগ শৃংগাৰৰ বৰ্ণনা বিশদ আৰু আবেগ বিহ্বল। নায়িকা নায়ক নায়িকা পৰস্পৰে পৰস্পৰৰ সাহচৰ্য লাভ; প্ৰথম নয়ন প্ৰীতি, ঘন ঘন আলিঙ্গন, চুম্বন আৰু স্পৰ্শনৰ সুখ লাভ কৰি শেষত ষোড়শ শৃংগাৰৰ যৌৱনৰ আদিৰ আৰু অন্তৰ বাসনা চৰিতাৰ্থ কৰিছে। কবিয়ে ষোড়শ শৃংগাৰৰ ষোল্ল প্ৰকাৰৰ বিভিন্ন ভংগীৰ বৰ্ণনা দিয়া নাই, কেৱল এটা ভংগীৰহে বৰ্ণনা দিছে বাকী কেইটাৰ আভাস মাত্ৰহে দিছে। ইয়াৰ ফলত পাঠক বা শ্ৰোতাৰ কৌতুহল অৱসানত ভাৱে ৰক্ষিত হৈছে। তলত দিয়া পদ কেইবিধ উষা অনিৰুদ্ধৰ প্ৰথম আৰু অন্তিম দিনৰ মধুৰ মিলনৰ চিত্ৰ বাঙ্ময় হৈ উঠিছে—

Scanned by TapScanner

কটিৰ মেখলা খসি পড়িল উজাৰ ॥
বহুতৰে চুইকো চুই পুৰিলন্ত মন।
অশ্ৰুজলে তিতিলেক চুইখানো বদন ॥"

যুদ্ধৰ বৰ্ণনাৰ সংযোগত 'কুমৰ-হৰণ' কাব্যত বীৰ ৰস ~~উদ্ৰে~~ উদ্ৰেক হৈছে। অনন্ত কন্দলিয়ে পৰিবেশন কৰা বাণ-অনিৰুদ্ধ, কৃষ্ণ-বাণ, অনিৰুদ্ধ আৰু বাণৰ দৈত্যপুত্ৰ হৰি-হৰ আদিৰ প্ৰাণ চঞ্চল যুদ্ধৰ বৰ্ণনাৰ দ্বাৰা বীৰ ৰসৰ উদ্ৰেক হোৱা দেখা যায়। যুদ্ধৰ ভয়াবহতাৰ ছবি দাঙি ধৰা কবিৰ বৰ্ণনা শক্তিৰ পৰিচয় পোৱা যায় —

"এক এক গদা কোবে কৃষ্ণৰ কুমাৰ।
মুহূৰ্ততে সবাকো পেলিলা যমদ্বাৰ ॥
নিহতি কৰিলা মাৰে বাণসুত চয়।
চাৰি অক্ষৌহিনী সেনা গৈল যমালয় ॥"

হাস্যৰসেও কুমৰ হৰণ কাব্যত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। বিকৃত দেহ, ভংগীমা, কথা-বাৰ্তা, বেশভূষা আদিৰ দ্বাৰা জন্মা কৌতুকৰ পৰা হাস্যৰসৰ উদ্ভৱ হয়। হাস ইয়াৰ স্থায়ী ভাৱ। যাৰ বিকৃত দেহ ভংগীমা, কথা-বাৰ্তা, বেশভূষা দেখিলে হাঁহি উঠে। সেয়ে হাস্যৰসৰ আলম্বন (বিভাৱ), তেওঁৰ আচৰণ কাৰ্য্য আদি হ'ল উদ্দীপন বিভাৱ, চকু মুদি থাই থোৱা, হাঁহো হাঁহো কৰা মুখভাৱ আদিয়ে হ'ল অনুভাৱ। নিদ্ৰা, আলোস্য আদি হাস্যৰসৰ ব্যভিচাৰী ভাৱ। কুমৰ হৰণ কাব্যত কুঁজীৰ ৰূপৰ বৰ্ণনা, নাপিত আৰু গণকৰ সৈতে কুঁজীৰ ~~[illegible]~~ সাক্ষাত, গণপতি আৰু মাধৱৰ সংঘৰ্ষ আদিৰ মাজেৰে হাস্যৰসৰ সুন্দৰকৈ অৱতাৰণা কৰিছে। মাধৱৰ লগত যুদ্ধ কৰিবলৈ আহি পূজাৰ সামগ্ৰী যিমান পাৰে খাই লোৱাত গজপতিৰ পেট ফুলি উঠিল,

"ভোজনৰ চোটে বড় উলমিল পেট,
সন্মুখে চাহন্তে তলে না দেখায় হেঁট ॥

মোৰৰ পিঠিত গজ কঙ্কৰ উপৰে ।
আৰম্ভিবে নগাবাহা উদৰৰ ঘৰে ॥"

এই বৰ্ণনাত কবিৰ হাস্য আৰু প্ৰেম পূৰ্ণ উক্তিৰিলা। গজপতিৰ অন্তৰৰ ভাবোৰে কৰিয়ে আমোদৰ সৃষ্টি কৰিব পাৰিছে।

কৰুণ ৰসেও কাব্যখনত ঠাই স্থান পাইছে। ঊষাৰ বিলাপ আদিয়ে কাব্যখনত কৰুণ ৰসৰ উদ্ৰেগ কৰে—

~~"হাতে পাই হেৰুৱাইলো অই যেন নিধি।~~
~~হৃদয়ত কুঠাৰ হানিলে কোন বিধি ॥~~
~~চকুলো নাৰিব হীৰনৰ কোল~~

"হাতে পাই যদি হেৰুৱাইলো নৱ নিধি।
হৃদয়ত কুঠাৰ হানিলে কোন বিধি ॥
দুৰ্লভ নিনি মোৰ জীৱনত কোন কাজ।
চাড়িয়া আপক মাতি জাইবো যমৰাজ ॥"

ভয়ানক, অদ্ভুত, বীভৎস আৰু ৰৌদ্ৰ ৰসেও কাব্যখনত স্থান লোপোৱাকৈ থকা নাই। অগ্নিগড় দেখি অনিৰুদ্ধৰ অন্তৰত উদয় হোৱা ভীতি-বিহ্বলতা আৰু যাদৱ সৈন্য দেখি বাণৰ সৈন্যৰ মনত উপজা ভয়ৰ সংযোগত কৰিয়ে ভয়ানক ৰস সৃষ্টি কৰিছে। বাণৰ সহস্ৰ বাহু ছেদনে পাঠক শ্ৰোতাৰ অন্তৰত অদ্ভুত ৰস সৃষ্টি কৰে। বাণৰ প্ৰাণ ৰক্ষাৰ বাবে মাতৃ কোটৰাই বিবস্ত্ৰা হৈ কৃষ্ণৰ আগত দেখা দিয়া দৃশ্যৰ বৰ্ণনা নিশ্চিত ভাৱে বীভৎস ৰস প্ৰকাশক। ঊষাৰ লগত অনিৰুদ্ধক দেখি বাণৰ অন্তৰত জাগি উঠা ক্ৰোধ, কৃষ্ণৰ হাতত বাণৰ পৰাজয় হোৱা দেখি হৰৰ ক্ৰোধান্বিত অৱস্থাৰ বৰ্ণনা আৰু অনিৰুদ্ধৰ ক্ৰোধৰ চিত্ৰে ৰৌদ্ৰ ৰস উদ্দীপন কৰিছে।

সংস্কৃত অলংকাৰিক সকলৰ নীতিৰ অনুকূলে সেই মতে কবিজনাই 'ঊষা হৰণ' কাব্যত শৃংগাৰ, হাস্য, বীৰ, কৰুণ, অদ্ভুত, ভয়ানক, বীভৎস, ৰৌদ্ৰ আদি ৰসৰ সৃষ্টি কৰিছে যদিও প্ৰকৃততে এইবোৰৰ মাজেদি ভক্তি ৰসৰ

অভিব্যক্তি হৈছে। হৰিহৰৰ যুদ্ধৰ ~~মাজত~~ মাজেৰে, বাণ আৰু শ্ৰীকৃষ্ণৰ যুদ্ধৰ মাজেৰে বিষ্ণুৰ শ্ৰেষ্ঠত্ব আৰু মহত্ত্ব প্ৰকাশ ~~পাইছে~~। কৰা হৈছে। এই কাব্যখন ৰচনা কৰিছিল বিষ্ণুৰ ঈশ্বৰক আগত ৰাখি। শেষত কাব্যখনত ফল্গু ধাৰাৰ নিচিনাকৈ ঈশ্বৰৰ অন্তঃস্ৰোত এটি প্ৰবাহমান হৈ আছে।

Scanned by TapScanner